অধ্যায় ১২ ঃ জোনাকী যুগৰ সাহিত্য — ১

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ জোনাকী যুগৰ পটভূমি আৰু বৈশিষ্ট্য
১২.৪ জোনাকী যুগৰ সাহিত্য
১২.৪.১ কবিতা
১২.৪.২ চুটিগল্প
১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৬ অধিক জানিবলৈ
১২.৭ অগ্রগতিৰ খতিয়ান
১২.৮ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ কোনখিনি সময়ক জোনাকী বা ৰোমাণ্টিক যুগ বুলি কোৱা হয় সেই কথা নির্দিষ্টকৈ উল্লেখ কৰিব পাৰিব
- জোনাকী বা ৰোমাণ্টিক যুগৰ সাহিত্যৰ ঐতিহাসিক পটভূমি সম্পর্কে জ্ঞাত হ'ব
- জোনাকী যুগৰ অসমীয়া সাহিত্যিকসকলৰ পৰিচয় লাভ কৰাৰ লগতে সেই সময়ৰ কবিতা আৰু চুটিগল্প সম্পর্কে সম্যক জ্ঞান অর্জন কৰিব।

১২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায় দুটিত আপুনি প্ৰাক্-অৰুণোদয় আৰু অৰুণোদয় যুগৰ অসমীয়া সাহিত্য সম্পর্কে অধ্যয়ন কৰিলে। এই অধ্যায়টিত তাৰ পৰৱর্তী স্তৰ জোনাকী যুগ সম্পর্কে অধ্যয়ন কৰিবলৈ পাব।

আধুনিক অসমীয়া সাহিত্যৰ অৰুণোদয় যুগৰ পৰৱর্তী যুগটোৱেই হৈছে 'জোনাকী' বা 'ৰোমাণ্টিক যুগ'। অৰুণোদয় যুগৰ লেখকসকলে, বিশেষকৈ আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা আদিয়ে বাট কাটি যি ভেটি নির্মাণ কৰিলে, সেই ভেটিতে আধুনিক অসমীয়া সাহিত্যৰ দ্বিতীয় পাঠ অর্থাৎ 'জোনাকী যুগ'-এ প্ৰতিষ্ঠা লাভ কৰিলে। অসমীয়া সাহিত্যই পূর্ণ অর্থত আধুনিক ৰূপ লাভ কৰিলে এই সময়ত। এই অধ্যায়টিত আপুনি জোনাকী যুগৰ সাহিত্যৰ পটভূমি আৰু বৈশিষ্ট্যৰ বিষয়ে অধ্যয়ন কৰাৰ উপৰি সেই সময়ৰ কবিতা আৰু

চুটিগল্প সম্পর্কে অধ্যয়ন কৰিব। অধ্যায়টোৰ অধ্যয়নে আপোনাক জোনাকী যুগৰ সাহিত্য সম্পর্কে ধাৰণা প্রদান কৰিব।

১২.৩ জোনাকী যুগৰ সাহিত্যৰ পটভূমি আৰু বৈশিষ্ট্য

'জোনাকী যুগৰ সাহিত্য' বুলি ক'লে আমি *জোনাকী* নামৰ আলোচনীখনৰ সাহিত্য তথা *জোনাকী* আলোচনীৰ প্রভাৱত সৃষ্ট সাহিত্যৰ কথাই বুজি পাওঁ। ১৮৮৯ চনত *জোনাকী* নামৰ আলোচনীখন প্রকাশ হোৱাৰে পৰাই এই যুগটো আৰম্ভ হয়। সেই সময়ত অসমৰ পৰা চন্দ্রকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্র গোস্বামী প্রভৃতি বহু ছাত্রই কলিকতালৈ পঢ়িবলৈ গৈছিল। তেওঁলোকে ইংৰাজী সাহিত্যৰ, বিশেষকৈ ৰোমাণ্টিক সাহিত্যৰ সংস্পর্শলৈ আহে আৰু তাৰ সোৱাদ লয়। একেদৰে সোৱাদ পায় বাংলা সাহিত্যৰ ৰোমাণ্টিক ধাৰাৰো। অসমীয়া ছাত্রকেইজনে শ্বেইক্সপিয়েৰ, ৰর্ডচৰর্থ, শ্যেলী, কীটচ্ আদি কবিসকলৰ ৰোমাণ্টিক ভাবধাৰাৰ দ্বাৰা অনুপ্রাণিত হৈ অসমীয়া সাহিত্যতো এই নতুন ধাৰাটো সংযোগ কৰিবলৈ মনস্থ কৰে। এই ছাত্রকেইজনৰ চাহমেলতেই এদিন জন্ম হ'ল (১৮৮৮ চনত) 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' (চমুকৈ অঃ ভাঃ উঃ সাঃ সঃ) নামৰ অনুষ্ঠানৰ। সভাই অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ হকে, বিশেষকৈ ৰোমাণ্টিক ভাবধাৰাৰ সূচনা কৰিবলৈ সিদ্ধান্ত গ্রহণ কৰে। সভাৰ জন্ম আৰু উদ্দেশ্য প্রসংগত বেজবৰুৱাই লিখি গৈছে— "১৮১০ শকৰ ভাদ মাহত (ইংৰাজী ১৮৮৮ চনৰ ২৫ আগষ্ট তাৰিখে) ৬৭নং মির্জাপুৰ ষ্ট্রীটৰ বহাত হোৱা 'টি পার্টি'ত অসমীয়া ভাষাৰ উন্নতি সাধিবৰ অর্থে এখন সভা কৰিবৰ প্রস্তাৱ হৈ সেই প্রস্তাৱ কার্যত পৰিণত হোৱাৰ ফলস্বৰূপে 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ জন্ম হয়।... ...অসমৰ সকলোবিধ পঢ়াশালিতে যাতে অসমীয়া ভাষা প্রচলিত কৰা হয় আৰু অসমীয়া ল'ৰা-ছোৱালীয়ে যাতে নিজ নিজ ভাষা সুকলমে পঢ়িবলৈ পায়, তাৰ নিমিত্তে আসামৰ শিক্ষা বিভাগৰ অধিকাৰসকলৰ মনোযোগ আকর্ষণ কৰা... দেশৰ ইতৰ সাধাৰণ সকলো শ্রেণীৰ মানুহৰ ভিতৰত যাতে লেখা-পঢ়াৰ চর্চা হয় তাৰ নিমিত্তে উক্ত উপায় উলিয়াবলৈ বাতৰি কাকতৰ প্রতি লোকৰ আগ্রহ বঢ়াবলৈ আৰু অসমৰ সকলো অঞ্চলতে এটা মাত্র লিখিত ভাষাৰ সৃষ্টি কৰিবলৈ সভাৰ যত্ন থাকিব।" ১৮৮৯ চনৰ ফেব্রুৱাৰী মাহত চন্দ্রকুমাৰ আগৰৱালাৰ সম্পাদনাত *জোনাকী*ৰ প্রথম সংখ্যাটো প্রকাশ পায়। *জোনাকী* প্রকাশ হোৱাৰ দিনৰে পৰাই অসমীয়া সাহিত্যত ৰোমাণ্টিক যুগ আৰম্ভ হোৱা বুলি ধৰা হয়। আধুনিক অসমীয়া সাহিত্যৰ দ্বিতীয় স্তৰটো *জোনাকী* নামৰ আলোচনীখনিৰ নামেৰে নামকৰণ কৰা হয়। আনহাতে, জোনাকী যুগটোৱে পাশ্চাত্য সাহিত্যৰ ৰোমাণ্টিক ভাবধাৰা অসমীয়া সাহিত্যলৈ আমদানি কৰি আনে বাবে এই জোনাকী যুগটোক 'ৰোমাণ্টিক যুগ' নামেৰেও অভিহিত কৰা হয়।

মন কৰিবলগীয়া যে *জোনাকী*ৰ ইতিহাসৰ মূলতে আছে এচাম কলেজীয়া ছাত্রৰ জাতীয় ভাৱনা আৰু উছাহৰ ফল। কলিকতাৰ পৰা *জোনাকী* মুঠ দহ বছৰ প্রকাশিত হৈছিল; মাজতে

দুবছৰ *জোনাকী*ৰ প্ৰকাশ বন্ধ আছিল। কিন্তু সাহিত্যৰ বুৰঞ্জীত জোনাকী যুগটোৱে প্ৰায় পঞ্চাশ বছৰ আৱৰি আছে। ১৮৮৯ চনৰ পৰা ১৯৪০ চনলৈ অসমীয়া সাহিত্যৰ এই সময়খিনি ৰোমাণ্টিক যুগৰ সাহিত্য বা জোনাকী যুগৰ সাহিত্য বুলি ধৰা হয়। *জোনাকী*য়ে সৃষ্টি কৰা সাহিত্য ধাৰাটো প্ৰৱাহিত কৰাৰ ক্ষেত্ৰত *অসম বন্তি* (১৯০০-১৯৪৪), *ঊষা* (১৯০৭-১২), *বাঁহী* (১৯০৯-১৯৪৬), *অসমীয়া* (১৯১৯-৫৮), *চেতনা* (১৯১৯-২৭), *মিলন* (১৯২৩), *আৱাহন* (১৯২৯) আদি কাকত/আলোচনীৰ অৱদানো অনস্বীকাৰ্য। ইয়াৰ আগৰ মধ্যযুগৰ বৈষ্ণৱ ধৰ্ম সাহিত্য আৰু অৰুণোদয় যুগৰ খ্ৰীষ্টধৰ্ম প্ৰচাৰমুখী গণ্ডীৰ পৰা সম্পূৰ্ণৰূপে আঁতৰি আহি প্ৰকৃত অৰ্থত ধৰ্ম-নিৰপেক্ষ সাহিত্যৰ পৰম্পৰা গঢ় লৈ উঠে এই ৰোমাণ্টিক যুগতে। ফলত পাশ্চাত্য সাহিত্যৰ দৰে অসমীয়া সাহিত্যতো কবিতা, চুটিগল্প, উপন্যাস, নাটক আদি নতুন নতুন সাহিত্যৰ সৃষ্টি হ'বলৈ ধৰে।



জানি থোৱা ভাল

১৯২৯ চনত দীননাথ শৰ্মাৰ সম্পাদনাৰে কলিকতাৰ পৰা প্ৰকাশ হয় *আৱাহন* নামৰ কাকত এখন। ১৯২১ চনত মহত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা ভাৰতৰ স্বাধীনতা আন্দোলনৰ নতুন চেতনা এইখন কাকতৰ মাজদিয়েই পোনপ্ৰথমবাৰৰ বাবে অসমীয়া সাহিত্যত প্ৰতিফলিত হৈছিল। এই সম্পৰ্কে সম্পাদক দীননাথ শৰ্মাই মন্তব্য কৰি গৈছে — "১৯২১ চনত ভাৰত জুৰি ব্ৰিটিছ সাম্ৰাজ্যবাদ বিৰোধী জাতীয় আন্দোলনৰ সোঁত বৈ গৈছিল। তাৰ টোৱে পূব প্ৰান্তৰ অসমকো প্লাৱিত কৰিছিল। ব্ৰিটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সংগ্ৰামত অসমীয়াৰ জাতীয় চেতনা বহু গুণে বাঢ়ি যায়। এই নৱ-চেতনাই আমাৰ সাহিত্যত নতুন তেজৰ সঞ্চাৰ কৰে। *আৱাহন* এই মহৎ চেতনাৰ অৱশ্যম্ভাৱী সৃষ্টি।" ১৯২৯ চনৰ পৰা ১৯৪০ চনলৈকে প্ৰকাশ পোৱা এইখন কাকতৰ পাততে অসমীয়া চুটিগল্পই ভাৱবস্তুগত আৰু ৰূপবস্তুগত দিশত বিকাশ লাভ কৰে। সেই বাবেই শৈলেন ভৰালীয়ে মন্তব্য কৰিছে— "জোনাকী যুগত কবিতাৰ যি জোৱাৰ উঠিছিল আৱাহন যুগত সেই জোৱাৰ উঠে চুটিগল্পৰ ক্ষেত্ৰত। এক অৰ্থত ক'বলৈ হ'লে *আৱাহন*ৰ পাততে অসমীয়া চুটিগল্পই এক বিশিষ্ট তথা জনপ্ৰিয় মাধ্যম হিচাপে চিহ্নিত হয়।" উদাৰনৈতিক মানৱতাবাদী দৃষ্টিভংগী, সামাজিক চেতনা আৰু সমাজৰ প্ৰতি দায়বদ্ধতা, ৰোমাণ্টিক ভাৱাদৰ্শৰ প্ৰসাৰ, মনোবিশ্লেষণাত্মক, ফেণ্টাছীধৰ্মী, ৰোমাণ্টিক বাস্তৱবাদ, চেতনাস্ৰোত আদি বিভিন্ন ভাবধাৰাৰ লগতে প্ৰগতিশীল চিন্তাধাৰাৰ আৰম্ভণি ঘটে এই সময়ৰ অসমীয়া গল্পবোৰৰ মাজেদি।

*জোনাকী*ৰ প্ৰথম সংখ্যাত প্ৰকাশিত চন্দ্ৰকুমাৰে লিখিছিল — "আমি যে বিপদসাগৰত

ভূৰ বান্ধি ল'ৰাৰ দৰে পাৰ হ'বলৈ ওলাইছোঁ তাক আমি জানো। অসমত কাকতৰ গতি কচুপাতৰ পানীটুপিৰ দৰে।... ...কৰিবলগীয়া আমি কৰিম, ফল লাভ পাছৰ কথা। কামৰ চকৰিৰ তলত বহু মৰেও, জীয়েও। মৰি জীহে সংসাৰৰ কার্য সাধিব পাৰি।... ...আমি জানো আমাৰ দেশ শিক্ষাত পাছ, জ্ঞানত ভিক্ষাৰী, ধনৰ দুখীয়া, সংখ্যা বলত শক্তিহীন, স্বাস্থ্যত ৰুগীয়া, কামত এলেহুৱা আৰু পৰাধীন... ...আমি নিজক নিজে যোগ্য নকৰিলে অন্যে কৰি নিদিয়েহি।" ইয়াৰ মাজতেই প্রচ্ছন্ন হৈ আছে জোনাকী সৃষ্টিৰ মূল কথাখিনি। এই কাকতকে কেন্দ্র কৰি পাশ্চাত্য সাহিত্যত প্রবাহিত আৰু কিছুকাল আগৰে পৰা বাংলা সাহিত্যতো প্রবেশ কৰা ৰোমাণ্টিক ভাবধাৰা অসমীয়া সাহিত্যলৈ সোমাই আহিল। ৰমন্যাসবাদ বা ৰোমাণ্টিকতাবাদেই আছিল জোনাকী যুগৰ সাহিত্যৰ প্রধান বৈশিষ্ট্য । অৱশ্যে এই বৈশিষ্ট্যটো ইংৰাজী সাহিত্যৰ অধ্যয়ন আৰু বাংলা সাহিত্য-সংস্কৃতিৰ সংস্পর্শত অসমীয়া ভাষা-সাহিত্যৰ দুর্দশাৰ উপলব্ধিৰ পৰা উদ্ভৱ হোৱা ৰোমাণ্টিকতাহে। ইংৰাজী সাহিত্যত যেনেদৰে ৰোমাণ্টিকতাৰ সৃষ্টি হৈছিল তেনেদৰে অসমীয়া ৰোমাণ্টিক সাহিত্য সৃষ্টিৰ বাবে অসমত কোনো ধৰণৰ পৰম্পৰা বা পটভূমি জাগ্রত হোৱা নাছিল। অৱশ্যে তাৰ মাজতে ৰোমাণ্টিক সাহিত্যৰ প্রধান বৈশিষ্ট্য 'উদাৰ মানৱতাবাদ' অসমীয়া সাহিত্যতো প্রকাশ পাইছিল।

তথাপি, আর্থ-সামাজিক ইতিহাসৰ পটভূমি বাদ দিলে সাহিত্য হিচাপে জোনাকী যুগৰ সাহিত্যও মূলতঃ ৰোমাণ্টিক সাহিত্য। এই সাহিত্য যথার্থতে অসমীয়া সাহিত্যত অভিনৱ আছিল। এই ৰোমাণ্টিক সাহিত্যৰ লক্ষণসমূহ থুলমূলভাৱে সত্যেন্দ্রনাথ শর্মাই এনেদৰে দেখুৱাইছে— "ব্যক্তিসত্তাৰ প্রাধান্য, প্রকৃতি-প্রীতি, সাধাৰণ প্রাণী বা পদার্থৰ প্রতি উদাৰ মনোভাৱ, বাস্তৱ-বিমুখিতা, অতীতৰ প্রতি শ্রদ্ধা আৰু ভৱিষ্যতৰ ৰঙীণ কল্পনা। কল্পলোকৰ সৃষ্টিৰ সহায়ত আত্মমুক্তিৰ প্রচেষ্টা, প্রেম আৰু সৌন্দর্যৰ পূজা, জাগতিক সৌন্দর্যৰ প্রতি বিস্ময়বিমূঢ় দৃষ্টি, প্রিয়াৰ ৰূপ আৰাধনা আৰু বিশ্বপ্রকৃতিত প্রিয়াৰ ৰূপদর্শন আৰু অতীন্দ্রিয়বাদ, সুদূৰৰ আকর্ষণ, জীৱন ৰহস্যভেদৰ বৌদ্ধিক প্রচেষ্টা" আদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ জোনাকী যুগক আমি আন কি নামেৰেও জানো?

.....

প্রশ্ন নং ২ ঃ জোনাকী যুগৰ সাহিত্যৰাজি মূলতঃ কেনেধৰণৰ?

.....

প্রশ্ন নং ৩ ঃ জোনাকী যুগৰ সাহিত্যৰাজিৰ প্রধান বৈশিষ্ট্যসমূহ কি কি?

.....

.....

.....

.....

১২.৪ জোনাকী যুগৰ সাহিত্য

পাশ্চাত্য সাহিত্যৰ দৰে অসমীয়া সাহিত্যতো কবিতা, চুটিগল্প, উপন্যাস, নাটক আদি নতুন নতুন সাহিত্যৰ সৃষ্টি হ'বলৈ ধৰে বুলি আমি ইতিমধ্যে উল্লেখ কৰি আহিছোঁ। এইটো অধ্যায়ত তাৰে দুটা শাখা — কবিতা আৰু চুটিগল্পৰ বিষয়ে তলত বহলাই আলোচনা কৰিলোঁ।

১২.৪.১ কবিতা

জোনাকী আলোচনীৰ যোগেদি অসমীয়া সাহিত্যত ৰোমাণ্টিক কবিতাৰ শুভাৰম্ভ হয়। অৱশ্যে জোনাকী যুগৰ অলপ আগৰে পৰা এই শ্ৰেণী কবিতাৰ পূৰ্বাভাস দিয়ে ভোলানাথ দাস, ৰমাকান্ত চৌধুৰী আৰু কমলাকান্ত ভট্টাচাৰ্যই। এই তিনিগৰাকী কবিক প্ৰাক্-জোনাকী বা প্ৰাক্-ৰোমাণ্টিক কবি বুলিও কোৱা হয়। ভোলানাথ দাস আৰু ৰমাকান্ত চৌধুৰীৰ সৰ্বশ্ৰেষ্ঠ কৃতি হ'ল— অসমীয়া কাব্যত অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগ। ভোলানাথ দাসৰ *সীতাহৰণ-কাব্য* আৰু ৰমাকান্ত চৌধুৰীৰ *অভিমুন্য-বধ* এই প্ৰসংগত উল্লেখনীয়। এওঁলোক দুজনৰ পাছতে স্মৰণীয় প্ৰতিভাশালী কবিগৰাকী হ'ল কমলাকান্ত ভট্টাচাৰ্য। এওঁৰ কবিতাতে প্ৰথমবাৰৰ বাবে পাশ্চাত্যৰ ধ্যান-ধাৰণা প্ৰকাশ পাবলৈ ধৰে। অসমীয়া কাব্য-সাহিত্যৰ বুৰঞ্জীত কমলাকান্ত ভট্টাচাৰ্য এজন নতুন যুগৰ বাৰ্তাবাহী প্ৰাক্-ৰোমাণ্টিক কবি। দৰাচলতে, এওঁ 'অৰুণোদয়' আৰু 'জোনাকী' যুগৰ মাজত সেতুবন্ধ স্বৰূপ। এওঁৰেই উত্তৰ-সাধক কবিকেইগৰাকী হ'ল *জোনাকী*ৰ ত্ৰিমূৰ্তি— চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী।

অসমীয়া ৰোমাণ্টিক কবিতাৰ আলোচনা প্ৰসংগত মহেন্দ্ৰ বৰাই এই যুগটোক তিনিটা প্ৰধান স্তৰ বা তৰংগত বিভক্ত কৰিছে। প্ৰথম তৰংগৰ কবি তিনিগৰাকী হ'ল— চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী। *জোনাকী*ৰ প্ৰথম বছৰ, প্ৰথম সংখ্যাত চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' নামৰ কবিতা এটি প্ৰকাশ পায়। এইটোৱেই প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতা। আগৰৱালাৰ ৰচনাৰ সংখ্যা কম। কিন্তু তেওঁৰ *প্ৰতিমা* নামৰ কবিতা পুথিখনি বেজবৰুৱাই কোৱাৰ দৰে '*প্ৰতিমা*খনি সৰু কিন্তু নিভাঁজ সোণৰ'। আনহাতে 'নিয়ৰ', 'মাধুৰী', 'তেজীমলা', 'বনকুঁৱৰী' আদি কবিতাত সৌন্দৰ্যৰ যি অপৰূপ প্ৰকাশ ঘটিছে, পৃথিৱীৰ অতি কম কবিয়েহে তেনে সফলতাৰ অধিকাৰী হ'ব পাৰিছে। তেনেদৰে আগৰৱালাৰ কবিতাত ৰোমাণ্টিক কবিতাৰ বিশেষ লক্ষণ 'মানৱতাবোধ' যেনেদৰে প্ৰকাশ পাইছে, আন কোনো অসমীয়া কবিৰ কবিতাত আজিলৈকে প্ৰকাশ পোৱা নাই।

আগৰৱালাৰ পাছতে ৰোমাণ্টিক কবি হিচাপে লক্ষ্মীনাথ বেজবৰুৱাৰ নাম সদা স্মৰণীয়। *কদমকলি* নামৰ কবিতা পুথিৰ কবিজনে 'কবিতা হয় যদি হওক, নহয় যদি নহওক' বুলিয়েই এমুঠিমান কবিতা ৰচিছিল। তাৰে কেইটিমান কবিতা মহেশ্বৰ

নেওগে কোৱাৰ দৰে 'সোণপানীৰে ছপাই বন্ধাই থ'বলগীয়া।' ৰোমাণ্টিক ধাৰাটোৰ প্ৰথম তৰংগৰ আনগৰাকী কবি হ'ল— হেমচন্দ্ৰ গোস্বামী। *জোনাকীৰ* দ্বিতীয় সংখ্যাত প্ৰকাশ পোৱা গোস্বামীৰ 'জোনাকী' (পাছত 'পুৱা' নামেৰে প্ৰকাশিত) নামৰ কবিতাটোৱেই অসমীয়া ৰোমাণ্টিক যুগৰ দ্বিতীয়টো কবিতা। হেমচন্দ্ৰ গোস্বামীৰ বিশেষত্ব এইখিনিতেই যে তেওঁ অসমীয়া চতুৰ্দশপদী বা চনেট নামৰ কবিতাৰ জন্মদাতা। *জোনাকীত* প্ৰকাশ পোৱা গোস্বামীৰ 'প্ৰিয়তমাৰ চিঠি' নামৰ কবিতাটিয়েই প্ৰথম অসমীয়া চনেট। প্ৰথম তৰংগৰ এই তিনিগৰাকী কবিৰ ওচৰে-পাঁজৰে আন কেইগৰাকীমান কবিৰ উপস্থিতিও লক্ষ্য কৰা যায়। তেওঁলোক হ'ল— পদ্মনাথ গোহাঞিবৰুৱা, মফিজুদ্দিন আহমদ হাজৰিকা, আনন্দচন্দ্ৰ আগৰৱালা আৰু হিতেশ্বৰ বৰবৰুৱা। গোহাঞিবৰুৱাৰ কবিতাৰ পুথি তিনিখন— *লীলা কাব্য, ফুলৰ চানেকী* আৰু *জুৰণি*। 'জ্ঞানমালিনী' কবি নামেৰে পৰিচিত মফিজুদ্দিন আহমদ হাজৰিকাৰ একমাত্ৰ কবিতা পুথিখন হ'ল *জ্ঞানমালিনী*। আনন্দচন্দ্ৰ আগৰৱালাৰো কবিতাৰ পুথি মাথোন এখন— *জিলিকনি*। আনহাতে এওঁ ভালেমান বিদেশী কবিতা অসমীয়ালৈ অনুবাদ কৰে। সেইবাবে তেওঁক 'ভাঙনি কোঁৱৰ' বুলিও কোৱা হয়। হিতেশ্বৰ বৰবৰুৱাৰ *মালচ* আৰু *চকুলো* চতুৰ্দশপদী বা চনেট কবিতা পুথি।

ৰোমাণ্টিক যুগৰ দ্বিতীয় তৰংগৰ অগ্ৰণী কবিগৰাকী হ'ল ৰঘুনাথ চৌধাৰী। প্ৰকৃতিৰ প্ৰেমত বন্দী এই কবিগৰাকীৰ 'চৰাই' কবিতালানিৰ প্ৰতিটো কবিতাই অসমীয়া কাব্যৰাজকোষৰ একোমুঠি হীৰা-মণি-মৰকত হিচাপে ৰৈ গৈছে। ৰূপকে-যমকে, উপমাই-অনুপ্ৰাসে উপচি উঠা এওঁৰ কবিতাৰ সাধাৰণ লক্ষণ। তিনিকুৰি বছৰে কাব্যচৰ্চা কৰা এইগৰাকী কবিৰ কবিতাৰ পুথিসমূহ হ'ল— *সাদৰী, দহিকতৰা, কেতেকী, কাৰবালা* আৰু *নৱমল্লিকা*। এই তৰংগৰে আন এগৰাকী দাৰ্শনিক কবি হ'ল নীলমণি ফুকন (জ্যেষ্ঠ)। এওঁৰ কবিতাত আছে সত্য আৰু সুন্দৰক একেটা পাত্ৰতে বিধৃত কৰাৰ প্ৰচেষ্টা।

এই তৰঙ্গৰ আন এগৰাকী বিশিষ্ট কবি অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাত দুটা ধাৰা লক্ষ্য কৰা যায়। এটা বিপ্লৱী চিন্তাধাৰা আৰু আনটো ৰহস্যময় আধ্যাত্মিকতাৰ অভিব্যক্তি। বিদ্ৰোহাত্মক চিন্তা আৰু স্বদেশপ্ৰেমৰ অপূৰ্ব সমাহাৰত তেওঁৰ কবিতাৰ শক্তিশালী ৰূপ এটি দেখিবলৈ পোৱা যায়। তাৰ মাজতে *তুমি* নামৰ কাব্যপুথিত ডেকা প্ৰেমিকে যৌৱনৰ স্বপ্নৰ মাজেদি অনন্ত প্ৰেমে ভুমুকি মৰা দেখা পাইছে। এই কাব্যত তেওঁৰ প্ৰিয়াৰ ৰূপ কেনেদৰে ক্ৰমে ক্ৰমে বিকশিত হৈ নানা স্তৰৰ মাজেদি গৈ ভগৱৎ প্ৰেমত পৰিণত হৈছে, সেয়া চমকলগা ৰূপত বৰ্ণিত হৈছে। ৰায়চৌধুৰীৰ কবিতা পুথিকেইখন হ'ল *তুমি, বাণী, অনুভূতি, বন্দো কি ছন্দেৰে, দেশেই ভগৱান* আৰু *বেদনাৰ উল্কা।*

ৰোমাণ্টিক কবি যতীন্দ্ৰনাথ দুৱৰাৰ কবিতা সাৱলীল, কোমল, মধুৰ, কৰুণ ৰসসিক্ত আৰু আত্মকেন্দ্ৰিক। দুৱৰা অসমীয়া কাব্য জগতত প্ৰেমৰ কবি হিচাপে পৰিচিত।

ব্যক্তিগত প্ৰেমৰ কৰুণ হুমুনিয়াহেৰে এওঁৰ কবিতা সিক্ত। ব্যৰ্থ প্ৰেমত ক্ষত-বিক্ষত হৈ কবিয়ে আৰ্তনাদ কৰিছে। কবিৰ চাৰিওফালে মাথোঁ শূন্যতা আৰু অতীত দিনৰ সোঁৱৰণি। তাৰপৰা পৰিত্ৰাণৰ উপায় একমাত্ৰ পাহৰণি। সেইবাবে বহুতে দুৰৰাক 'নিৰাশাবাদী' আৰু কেতিয়াবা 'দুঃখবাদী কবি' বুলিও আখ্যা দিয়া দেখা যায়। *আপোন সুৰ, বনফুল* আৰু *মৰমৰ সুৰ* এওঁৰ প্ৰধান কবিতাৰ পুথি।



জানি থোৱা ভাল

বনফুল কবিতা পুথিৰ বাবেই দুৰৰাই ১৯৫৫ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰে। এৰেঁই সাহিত্য অকাডেমী বঁটা লাভ কৰা প্ৰথমগৰাকী অসমীয়া সাহিত্যিক।

'শেৱালি' কবিৰূপে খ্যাত ৰত্নকান্ত বৰকাকতী মুখ্যতঃ প্ৰেমৰ কবি। এওঁৰ প্ৰেমে কেতিয়াবা দেহজ প্ৰেম অতিক্ৰম কৰি বিশ্বজগতক সাঙুৰি লৈছে। কেতিয়াবা আকৌ মানৱীয় স্তৰ পাৰ হৈ অতীন্দ্ৰিয় পৰ্যায়লৈ গতি কৰিছে। দাৰ্শনিক ভাবৰ পাতল অনুলেপনে বৰকাকতীৰ কোনো কোনো কবিতাক গাম্ভীৰ্য দান কৰিছে। *তৰ্পণ, শেৱালি* আৰু *চন্দ্ৰহাৰ* —এই তিনিখন বৰকাকতীৰ কবিতাৰ পুথি।

অসমীয়া ৰহস্যবাদী ধাৰাটোৰ শ্ৰেষ্ঠ কবিগৰাকী হ'ল নলিনীবালা দেৱী। ব্যক্তিগত জীৱনৰ কাৰুণ্যই কবিৰ ৰহস্যবাদৰ মূল উৎস। *গীতা, উপনিষদ,* অসমীয়া বৈষ্ণৱ সাহিত্য আৰু ৰবীন্দ্ৰনাথৰ কবিতাৰ অধ্যয়নে নলিনীবালা দেৱীৰ কাব্যিক দৃষ্টিভংগী আধ্যাত্মিকমুখী আৰু অতীন্দ্ৰিয়বাদী কৰাত ইন্ধন যোগাইছে। 'পদ্মশ্ৰী' উপাধি তথা 'সাহিত্য অকাডেমী' বঁটাৰে সন্মানীত নলিনীবালা দেৱীয়ে *সপোনৰ সুৰ, সন্ধিয়াৰ সুৰ, পৰশমণি, অলকানন্দা, অন্তিম সুৰ, যুগদেৱতা, জাগৃতি* আদি কবিতাৰ পুথি ৰচনা কৰে।

অসমীয়া ৰোমাণ্টিক কবিতাৰ তৃতীয় তৰংগটো হৈছে ভাৱধাৰাৰ অৱক্ষয়ৰ যুগ। এইছোৱা সময়ৰ কবিতাই লাহে লাহে ৰোমাণ্টিক ভাবধাৰাৰ পৰা আঁতৰি আহিবলৈ ধৰে। জ্যোতিপ্ৰসাদ আগৰৱালা, গণেশ গগৈ, দেৱকান্ত বৰুৱা এই তৰংগৰ উল্লেখযোগ্য কবি। জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাত স্বদেশানুৰাগ, প্ৰগতিমূলক ধাৰণা, সৌন্দৰ্যবোধ, মানৱতাবাদ, দুষ্কৃতি, শোষণৰ প্ৰতি ঘৃণাভাব প্ৰকট হৈছে। গণেশ গগৈৰ কবিতাত যতীন্দ্ৰনাথ দুৰৰাৰ কবিতাত উপলব্ধ বিষয়বস্তুৰ চূড়ান্ত পৰিণতি পৰিলক্ষিত হয়। তেওঁৰ কবিতা পুথিসমূহ হ'ল — *পাপৰি, স্বপ্নভংগ* আৰু *ৰূপজ্যোতি*।

দেৱকান্ত বৰুৱা যুগসন্ধিৰ কবি। এওঁৰ একমাত্ৰ কাব্য সংকলন *সাগৰ দেখিছা* অসমীয়া কাব্য-সাহিত্যৰ এটি অপৰূপ বিস্ময়। বৰুৱাৰ কবিতাত দৈহিক প্ৰেমৰ সৰ্বোত্তম প্ৰকাশ ঘটিছে। এওঁ অসমীয়া কবিতাৰ আংগিক, বিশেষকৈ নতুন ছন্দ আৰু কলা-

কৌশলৰ প্ৰয়োগেৰে নতুনত্বৰ সূচনা কৰে। ইংৰাজ কবি ৰবাৰ্ট ব্ৰাউনিঙৰ 'নাটকীয় একোক্তি'ৰ ঠাঁচত দেৱকান্ত বৰুৱাই অসমীয়া কাব্য সাহিত্যৰ ৰোমাণ্টিক যুগৰ সামৰণি সূচনা কৰে। মুঠতে, দেৱকান্ত বৰুৱাৰ কবিতাত যেনেদৰে ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্য বিদ্যমান, তেনেদৰে সাম্প্ৰতিক কবিতাৰ লক্ষণো বিৰাজমান। সেইবাবেই তেওঁ দুয়োটা যুগৰ মাজৰ অৰ্থাৎ সন্ধিক্ষণৰ কবি।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে ১৮৮৯ চনৰ পৰা ১৯৪০ চনলৈ জোনাকী বা ৰোমাণ্টিক যুগত বহুকেইজন কবিয়ে বহু কবিতা ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ খালি ঠাই পূৰণ কৰক—

(ক) 'নিৰাশাবাদী' আৰু কেতিয়াবা 'দুঃখবাদী কবি' বুলি ..... আখ্যা দিয়া দেখা যায়।

(খ) অসমীয়া ..... ধাৰাটোৰ শ্ৰেষ্ঠ কবিগৰাকী হ'ল নলিনীবালা দেৱী।

(গ) .....ৰ ঠাঁচত দেৱকান্ত বৰুৱাই অসমীয়া কাব্য সাহিত্যৰ ৰোমাণ্টিক যুগৰ সামৰণি সূচনা কৰে।

১২.৪.২ চুটিগল্প

আধুনিক অসমীয়া সাহিত্যৰ ভিতৰত চুটিগল্প অন্যতম। অসমীয়া চুটিগল্প পাশ্চাত্য সাহিত্যৰ প্ৰভাৱৰ ফল। অসমীয়া 'চুটিগল্প' শব্দটো ইংৰাজী Short Story শব্দৰপৰা আহিছে। অৰুণোদয় যুগত আখ্যান, সাধুকথা আদি প্ৰকাশ হৈছিল যদিও প্ৰকৃত চুটিগল্প জোনাকী যুগতহে আৰ্বিভাৱ হয়। *জোনাকী*ৰ পাততে লক্ষ্মীনাথ বেজবৰুৱাই পোন প্ৰথমে অসমীয়া চুটিগল্প ৰচনা কৰে। অসমীয়া চুটিগল্পৰ বুৰঞ্জীৰ প্ৰথম স্তৰত যিসকল গল্পকাৰে তেওঁলোকৰ অনবদ্য অৱদানেৰে অসমীয়া গল্প সাহিত্যক সমৃদ্ধ কৰিলে, তেওঁলোকৰ গল্প-সাহিত্যৰ বিষয়ে তলত চমুকৈ আলোচনা দাঙি ধৰা হ'ল।

- *লক্ষ্মীনাথ বেজবৰুৱা ঃ* লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া চুটিগল্পৰ জনক। অসমীয়া চুটিগল্পৰ ইতিহাসত তেৱেঁই এইবিধ সাহিত্যৰ স্ৰষ্টা হোৱাৰ গৌৰৱ অৰ্জন কৰে। বেজবৰুৱাই অসমীয়া গল্প সাহিত্যক সাধুকথাৰ পৰা আঁতৰাই আনি আধুনিক চুটিগল্পৰ ওচৰ চপাই নিয়ে। অৱশ্যে বেজবৰুৱাই সাধুকথা আৰু চুটিগল্পৰ মাজত বিশেষ পাৰ্থক্য ৰখা নাছিল। তেওঁৰ বহুতো চুটিগল্প সাধুকথাৰ দৰে। চুটিগল্পৰ বাটকটীয়া হোৱাৰ বাবেই হয়তো তেওঁৰ গল্পত সাধুকথাৰ কিছুমান বৈশিষ্ট্য থাকি গ'ল। *জোনাকী*ৰ প্ৰথম বছৰ, চতুৰ্থ সংখ্যাত প্ৰকাশিত বেজবৰুৱাৰ 'সেউতি' নামৰ

গল্পটোকে সমালোচকসকলে অসমীয়া সাহিত্যৰ প্ৰথম গল্প বুলি ক'ব খোজে। বেজবৰুৱাৰ গল্প পুথি চাৰিখন— *সুৰভি (১৯০৯), সাধুকথাৰ কুঁকি (১৯১০), জোনবিবি (১৯১৩)* আৰু *কেঁহোকলি। কেঁহোকলি* বেজবৰুৱাৰ মৃত্যুৰ পাছত প্ৰকাশিত চৈধ্যটা গল্পৰ সংকলন।



জানি থোৱা ভাল

বেজবৰুৱাৰ গল্পত প্ৰধানকৈ তিনিখন সমাজৰ চিত্ৰ প্ৰতিফলিত হৈছে —

(ক) ইতিহাস-আশ্ৰিত আৰু জনসমাজত প্ৰচলিত কিংবদন্তি আৰু উপাখ্যান আদিৰ মাজেদি ফুটি ওলোৱা পুৰণি অসমৰ সমাজ জীৱনৰ ছবি। 'মৈদাম', 'জয়ন্তী', 'কনকলতা', 'মালতী' আদি এই শ্ৰেণীৰ গল্প।

(খ) সমসাময়িক অসমীয়া সমাজৰ ছবি। 'ধোঁৱাখোৱা', 'মলক গুইন-গুইন', 'নাঙলুচন্দ্ৰ', 'ভোকেন্দ্ৰ বৰুৱা', 'ঘণ্টাকৰ্ণ শৰ্মা' আদিত সমকালীন সমাজৰ ছবি প্ৰতিফলিত হৈছে।

(গ) কলিকতা, সম্বলপুৰ আদি ঠাইৰ পটভূমিত ৰচিত গল্প। বেজবৰুৱাই জীৱিকা তথা ব্যৱসায় সূত্ৰে এইবোৰ ঠাইত লাভ কৰা অভিজ্ঞতাৰ ভিত্তিত এক শ্ৰেণীৰ গল্প ৰচনা কৰিছিল। 'লাওখোলা', 'ৰতনমুণ্ডা', 'ভৈৰা' আদিত এই সমাজৰ ছবি পোৱা যায়।

বেজবৰুৱাৰ সৰহভাগ গল্পই আছিল সংস্কাৰমূলক। সমকালীন অসমীয়া সমাজৰ হীনতা, নীচতা, অহংকাৰ, ভেম-ভণ্ডামি আদিত আলোকপাত কৰি সেইবোৰৰ গৰাহত পৰা অসমীয়া সমাজখন মুক্ত কৰিবলৈ প্ৰয়াস কৰিছিল। হাস্য আৰু ব্যঙ্গৰ সমাবেশ —বেজবৰুৱাৰ চুটিগল্পৰ অন্যতম বিশেষত্ব। অসমীয়া সমাজৰ দোষ-দুৰ্বলতা, ভেম-ভণ্ডামি, ভুৱা আভিজাত্য আদিলৈ হাস্যৰ ছলেৰে চোকা বাক্যবাণ প্ৰয়োগ কৰিবলৈকো তেওঁ কুণ্ঠাবোধ কৰা নাই। বেজবৰুৱাৰ মন আছিল সমাজ সচেতন। সেইবাবে অসমীয়া সমাজত প্ৰচলিত জাতিভেদ প্ৰথাৰ বিৰুদ্ধে, কানি ৰৰবিহৰ বিৰুদ্ধে, ইংৰাজী শিক্ষাৰ প্ৰতি অন্ধ অনুকৰণৰ বিৰুদ্ধে তেওঁ কলম তুলি লৈছিল। বেজবৰুৱাই কিছু গল্পত স্বভাৱসুলভ হাস্যৰসেৰে নিজেও হাঁহিছে, পাঠককো হঁহুৱাইছে। কোনো কোনো গল্পত আকৌ ব্যংগৰ শাণিত অস্ত্ৰেৰে বাহিৰ শুৱনি জীৱনৰ অন্তঃসাৰশূন্যতা খণ্ড খণ্ডকৈ বিশ্লেষণ কৰি দেখুৱাইছে। বেজবৰুৱাৰ গল্পত আংগিক বৈচিত্ৰ্যৰ সহায়ত ৰস সৃষ্টিতকৈ সমাজ সংস্কাৰৰ স্পৃহাই অধিক প্ৰবল হৈ প্ৰকাশ পোৱা দেখা যায়। সেইবাবে বহুতে ক'ব খোজে যে ব্যংগাত্মক আৰু সংস্কাৰমূলক মনোবৃত্তিৰ প্ৰাধান্যৰ বাবে বেজবৰুৱাৰ গল্পত সুকুমাৰ অনুভূতিৰ প্ৰকাশ দেখিবলৈ পোৱা নাযায়।

- *শৰৎ চন্দ্ৰ গোস্বামী ঃ* লক্ষ্মীনাথ বেজবৰুৱাৰ পাছতে জোনাকী যুগৰ গল্পকাৰসকলৰ ভিতৰত নাম ল'বলগীয়া গল্পকাৰগৰাকী হ'ল শৰৎ চন্দ্ৰ গোস্বামী। বেজবৰুৱা আৰু

গোস্বামীৰ হাততেই অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু বিকাশ সাধন হয়। *গল্পাঞ্জলি* (১৯১৪), *ময়না* (১৯২০) আৰু *বাজীকৰ* —এই তিনিখন গল্পপুথিৰ উপৰি মৰণোত্তৰভাৱে *পৰিদৰ্শন* নামৰ গল্প সংকলনৰ যোগেদি গোস্বামীয়ে কথা-শিল্পত মৌলিকত্বৰ পৰিচয় দাঙি ধৰিছে। আংগিক আৰু কলা-কৌশলৰ ক্ষেত্ৰত গোস্বামী এগৰাকী সচেতন গল্পকাৰ। গল্পৰ কেন্দ্ৰস্থ ভাৱ, বিষয়বস্তু, ঘটনাৰ ঐক্যসূত্ৰ, চৰিত্ৰ বিকাশ আৰু ভাষাৰ মিতব্যয়িতা— চুটিগল্পৰ এই অনুশাসনবোৰ মানি চলাৰ লক্ষণ গোস্বামীৰ চুটিগল্পত স্পষ্ট। এইখিনিতেই বেজবৰুৱাৰ লগতে গোস্বামীৰ চুটি গল্পৰ পাৰ্থক্য। বেজবৰুৱাৰ আংগিক আৰু কলা-কৌশলৰ শিথিলতাৰ বিপৰীতে গোস্বামী যেন কিছু পৰিমাণে সচেতন। বেজবৰুৱাৰ সাধুকথাধৰ্মী ৰীতিৰ পৰা গোস্বামীয়ে আঁতৰি আহি বাস্তৱ আশ্ৰয় ল'বলৈ প্ৰয়াস কৰে।

শৰৎ চন্দ্ৰ গোস্বামীৰ গল্পত অসহায় পীড়িতজন আৰু সমাজৰ সাধাৰণ শ্ৰেণীৰ প্ৰতি সহানুভূতিসম্পন্ন মনোভাব বা সমবেদনা ফুটি উঠিছে। তেওঁৰ কৰুণ ভাবযুক্ত গল্পসমূহত নিয়তিৰ পৰিহাস আৰু ভাগ্য বা অদৃষ্টৰ বুজিব নোৱাৰা ক্ৰূৰতা ঘনীভূত হৈ আছে। সাংসাৰিক জীৱনত যিবোৰ কৰুণ ঘটনা ঘটে তাৰ বেছিভাগতে মানুহৰ হাত নাথাকে। নিয়তিৰ দুর্বাৰ শক্তিৰ উপলব্ধি আৰু এটি কৰুণ বিষাদ চেতনাই তেওঁৰ 'ঘুনুচা', 'ময়না', 'অদৃষ্ট' আদি গল্প আচ্ছন্ন কৰি ৰাখিছে।

গোস্বামীৰ চুটিগল্পত বেজবৰুৱাৰ দৰে তীব্ৰ ব্যঙ্গ বা হাস্যৰস নাই। তথাপি সমাজৰ অসংগতিপূৰ্ণ দিশবোৰলৈ, সমাজৰ নিষ্ঠুৰতালৈ বা কেৰোণলৈ তেওঁ চকু নিদিয়াকৈ থকা নাই। গাঁৱলীয়া পটভূমিতে তেওঁৰ বেছিভাগ গল্প প্ৰতিষ্ঠিত। আনহাতে, জীৱনৰ ৰহস্য আৰু বৈচিত্ৰ্যৰ বিভিন্ন উদ্‌ঘাটনৰ প্ৰয়াস শৰৎ চন্দ্ৰ গোস্বামীৰ গল্পত দেখা যায়। তেওঁৰ গল্পত ৰেখাংকন ঋজুতা আৰু বাক্‌ভঙ্গীৰ সৰলতা মন কৰিবলগীয়া বিশেষত্ব। এই আটাইবোৰ দিশৰ ওপৰত দৃষ্টি ৰাখি চুটিগল্পৰ এগৰাকী সমালোচকে গোস্বামীৰ গল্প সম্পৰ্কে মন্তব্য দি কৈছে — "ঘটনাৰ ঐক্য, ভাবৰ সংযম আৰু কাব্যিক অনুভূতিৰ গভীৰ আবেদনৰ বাবেই গোস্বামীৰ গল্পই অসমীয়া চুটিগল্পক বিকাশৰ বাটত বহু পৰিমাণে আগুৱাই আনিলে আৰু আঙ্গিকৰ দিশতো চুটিগল্পৰ শিল্পমূল্যৰ উত্তৰণ ঘটালে।"

- *দণ্ডিনাথ কলিতা ঃ* বেজবৰুৱা আৰু শৰৎ চন্দ্ৰ গোস্বামীয়ে প্ৰতিষ্ঠা কৰা অসমীয়া চুটিগল্পৰ ধাৰাটোক প্ৰৱাহিত কৰি ৰখাত সহযোগীৰ ভূমিকা লোৱা আন এগৰাকী গল্পকাৰ হ'ল দণ্ডিনাথ কলিতা। তেওঁৰ একমাত্ৰ গল্প সংকলন *সাতসৰী* (১৯২৫)। গল্পৰ বিষয়বস্তু আৰু বক্তব্য সৰল তথা গতানুগতিক। সমসাময়িক সমাজত প্ৰচলিত জাতিভেদ, ধনী-দুখীয়াৰ ব্যৱধান, দুর্নীতি, কুসংস্কাৰ আদি বিষয়ক লৈ কলিতাৰ গল্প নিৰ্মিত হৈছে। কিন্তু কলা-কৌশলৰ দিশত এওঁ নতুনত্ব প্ৰদৰ্শন কৰিব নোৱাৰিলে। ফলত বেজবৰুৱা বা শৰৎচন্দ্ৰ গোস্বামীৰ দৰে কলিতাৰ গল্প পাঠকৰ বাবে আকৰ্ষণীয়

হৈ নুঠিল। তথাপি আৰম্ভণী কালৰ গল্পকাৰ হিচাপে দণ্ডিনাথ কলিতাৰ নাম নিশ্চয় উল্লেখনীয়। আনহাতে, চুটিগল্পৰ সলনি উপন্যাস ৰচনাত অধিক মনোনিবেশ কৰা বাবেও হয়তো কলিতাৰ গল্পৰ যিমানখিনি উৎকর্ষ সাধন হ'ব লাগিছিল সিমানখিনি নহ'লগৈ।

- *সূর্য্যকুমাৰ ভূঞা ঃ* ইতিহাস চর্চা তথা অধ্যয়নত প্রসিদ্ধি লাভ কৰা সূর্য্যকুমাৰ ভূঞা এগৰাকী গল্পকাৰো আছিল। অৱশ্যে তেওঁ ৰচনা কৰা গল্পৰ সংখ্যা তেনেই কম। মাথোঁ পাঁচটা গল্পৰ সমষ্টি তথা প্রকাশিত একমাত্র গল্প পুথি হ'ল *পঞ্চমী*(১৯২৩)। সংখ্যাত কম হ'লেও এই পাঁচটা গল্পৰ যোগেদিয়েই ভূঞাই চুটি গল্পৰ ক্ষেত্রতো সুকীয়া পৰিচয় দিবলৈ সক্ষম হয়। জোনাকী যুগৰ অন্যান্য চুটি গল্পৰ দৰে ভূঞাৰ গল্পতো কলা-কৌশলৰ দুর্বলতা আছে। তথাপি তেওঁ চুটিগল্পসমূহৰ জৰিয়তে চৰিত্রৰ মানসিক সংঘাত বা দ্বন্দ্বক ৰূপায়িত কৰাৰ ক্ষেত্রত ভালেখিনি সফলতা অর্জন কৰিছে। মধ্যবিত্ত শ্রেণীৰ মানসিকতা, প্রেম আদি তেওঁৰ গল্পৰ বিষয়বস্তু। জোনাকী যুগৰ চুটিগল্পৰ ভঁৰাল চহকী কৰি তোলাৰ ক্ষেত্রত সূর্য্যকুমাৰ ভূঞাৰ নাম ল'বই লাগিব।
- *নকুলচন্দ্র ভূঞা ঃ* জোনাকী যুগত আৰম্ভ কৰি আৱাহন যুগলৈকে চুটিগল্প ৰচনা কৰা গল্পকাৰসকলৰ ভিতৰত নকুলচন্দ্র ভূঞা অন্যতম। *চোৰাংচোৱা* (১৯১৮) আৰু *গল্পৰ শৰাই* (১৯৬২) তেওঁৰ গল্পপুথি। ভূঞাৰ গল্পত জটিল সামাজিক, অর্থনৈতিক বা জৈৱিক সমস্যাৰ উদ্ভাৱন বা সমাধানৰ চেষ্টা নাই। দৈনন্দিন জীৱনত ঘটি থকা সৰু-সুৰা ঘটনাৰ চিত্রণহে দেখিবলৈ পোৱা যায়। সেইবাবে তেওঁৰ গল্পৰ বিষয়বস্তু একেষাৰতে ক'বলৈ গ'লে অতি সহজ-সৰল। দৰিদ্রতা আৰু প্রেম— এই দুটা বিষয়ৰ চুটিগল্পই অধিক। ভূঞাৰ গল্পত ব্যংগ আছে যদিও সি বেজবৰুৱাৰ পর্যায় পোৱাগৈ নাই। সেইবাবে ক'ব পাৰি নকুলচন্দ্র ভূঞাৰ গল্প জন্মযুগৰ বৈশিষ্ট্যৰ দৰেই গতানুগতিক আৰু চালুকীয় গুণধর্মী।
- *লক্ষ্মীনাথ ফুকন ঃ* জোনাকী আৰু আৱাহন দুয়োটা যুগৰে এগৰাকী বিশিষ্ট গল্পকাৰ হ'ল লক্ষ্মীনাথ ফুকন। *মালা* (১৯১৮), *ওফাইডাং* (১৯৫২) আৰু *মৰমৰ মাধুৰী* (১৯৬৩) — এওঁৰ তিনিখন চুটিগল্পৰ সংকলন। *মালাৰ* পৰা *ওফাইডাং*-লৈ প্রায় ২৫ বছৰৰ ব্যৱধান। সেইফালৰ পৰা *মালাত*কৈ পাছৰ দুটা সংকলনৰ গল্পসমূহ অধিক পৈণত। লক্ষ্মীনাথ ফুকনৰ গল্পত বিষয়বস্তু বাস্তৱ সমাজ। বাস্তৱ সমাজৰ সমস্যা, আশা-নিৰাশা, দুখ-বেদনা আদিক লৈয়ে তেওঁ গল্পসমূহ ৰচনা কৰিছে। আনহাতে, জীৱনৰ গতিপথত সদায় লগপোৱা চৰিত্রসমূহকে তেওঁ পাঠকৰ সমুখত মনো�ৰঞ্জককৈ উপস্থাপন কৰিছে। চৰিত্রৰ স্বচ্ছতা ফুকনৰ গল্পৰ অন্যতম বিশেষত্ব। 'মেধি', 'টাইপিষ্টৰ জীৱন' আদি গল্পৰ নাম এই প্রসঙ্গত ল'ব পাৰি। সমসাময়িক গল্পকাৰৰ দৰে ফুকনৰ গল্পও শিথিলধর্মী। কিন্তু তেওঁৰ গল্পই জনপ্রিয়তা অর্জন

কৰাৰ মূলতে হৈছে সাৱলীল ভাষাৰ প্ৰয়োগ। ভাষাই গল্পসমূহক সুখপাঠ্য তথা উপাদেয় কৰি তুলিছে। আনহাতে, ব্যঙ্গাত্মক ৰচনাৰ ক্ষেত্ৰত লক্ষ্মীনাথ ফুকনেও পাৰদৰ্শিতা দেখুৱাইছে আৰু এই ক্ষেত্ৰত বেজবৰুৱাৰ উপযুক্ত উত্তৰসূৰী বুলি অভিহিত কৰা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ অসমীয়া চুটিগল্পৰ জনক বুলি কাক অভিহিত কৰা হৈছে?

.....

প্ৰশ্ন নং ৬ ঃ *ময়না* আৰু *বাজীকৰ* এই গল্পপুথি দুখনৰ ৰচক কোন?

.....



১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৮৮৯ চনৰ পৰা ১৯৪০ চনলৈ এই সময়ছোৱাৰ ভিতৰত ৰচিত অসমীয়া সাহিত্যখিনি জোনাকী বা ৰোমাণ্টিক যুগৰ অসমীয়া সাহিত্যৰূপে চিহ্নিত কৰা হয়। জোনাকী যুগৰ অসমীয়া সাহিত্য পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ বা আদৰ্শত সৃষ্টি হোৱা সাহিত্য। প্ৰকৃত অৰ্থত জোনাকী বা ৰোমাণ্টিক যুগটো আছিল সাহিত্যৰ বিভিন্ন ক্ষেত্ৰত (কবিতা, চুটিগল্প, উপন্যাস, নাটক আদি) পৰীক্ষা-নিৰীক্ষাৰ যুগ।
- ঐতিহাসিক পটভূমিত বিচাৰ কৰি চালে দেখা যায় যে ৰোমাণ্টিক সাহিত্য এক বিশেষ পৰিস্থিতি বা আন্দোলনৰ পৰিপ্ৰেক্ষিতত গঢ় লৈ উঠিছে। অসমীয়া সাহিত্যত ৰোমাণ্টিক যুগ সৃষ্টিতো কিছুমান ঐতিহাসিক ঘটনা জড়িত হৈ আছে। জোনাকী যুগৰ ৰোমাণ্টিক আন্দোলন বা ধাৰাটো অসমীয়া সাহিত্যৰ ক্ষেত্ৰত আছিল মূলতঃ কাব্যিক। কবিতাতেই ইয়াৰ প্ৰভাৱ আটাইতকৈ বেছি। কিন্তু লাহে লাহে সাহিত্যৰ অন্যান্য ক্ষেত্ৰলৈও ই সম্প্ৰসাৰিত হয়।
- চুটিগল্পৰ ক্ষেত্ৰত *জোনাকী* কাকতখন প্ৰকাশৰ সময়ত প্ৰকাশিত অসমীয়া চুটি গল্পখিনি আছিল ৰোমাণ্টিকধৰ্মী। অৱশ্যে কলা-কৌশলৰ ক্ষেত্ৰত বিভিন্ন পৰীক্ষা-নিৰীক্ষা নাছিল। পৰৱৰ্তী সময়ত *আৰাহন* কাকতৰ পাততহে অসমীয়া চুটিগল্পই এক বিশিষ্ট স্থানত উপৰিষ্ট হয়। সেই বাবেই সমালোচকসকলে *আৰাহনৰ* পাততে অসমীয়া চুটিগল্পই দ্বিতীয় এটা স্তৰত ভৰি দিলে বুলি মন্তব্য আগবঢ়াইছে।



১২.৬ অধিক জানিবলৈ

১) গোস্বামী, যতীন্দ্রনাথ (১৯৯৪); *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

২) গোস্বামী, হেমচন্দ্র (১৯২৪); *অসমীয়া সাহিত্যৰ চানেকি;* কলিকতা ঃ কলিকতা বিশ্ববিদ্যালয়।

৩) ঠাকুৰ, নগেন (সম্পাঃ) (২০০০); *এশ বছৰৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৪) তালুকদাৰ, নন্দ (২০০০৬); *কবি আৰু কবিতা;* গুৱাহাটী ঃ বনলতা।

৫) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৬) বৰ্মন, শিৱনাথ (সম্পাঃ) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী, দ্বিতীয় খণ্ড;* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৭) বৰগোহাঞি, হোমেন (সম্পাঃ) (২০০২); *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য;* যোৰহাট ঃ অসম সাহিত্য সভা।

৮) বৰুৱা, প্রহ্লাদ কুমাৰ (২০০৫); *অসমীয়া চুটিগল্পৰ অধ্যয়ন;* গুৱাহাটী ঃ বনলতা।

৯) বৰা, মহেন্দ্র (১৯৭৬); *ৰমন্যাসবাদ;* গুৱাহাটী ঃ বাণী প্রকাশ।

১০) ভৰালী, শৈলেন (১৯৯০); *নাটক আৰু অসমীয়া নাটক*; গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

১১) ভৰালী, শৈলেন (১৯৯৬); *অসমীয়া ঐতিহাসিক উপন্যাস;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১২) শর্মা, গোবিন্দ প্রসাদ (১৯৯৫); *উপন্যাস আৰু অসমীয়া উপন্যাস;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

১৩) শর্মা, সত্যেন্দ্রনাথ (১৯৯৭); *অসমীয়া উপন্যাসৰ ভূমিকা;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

১৪) শর্মা, সত্যেন্দ্রনাথ (২০০২); *অসমীয়া নাট্য সাহিত্য;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

১৫) শর্মা, সত্যেন্দ্রনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

১৬) শর্মা, হেমন্ত কুমাৰ (২০০৭); *অসমীয়া সাহিত্যত দৃষ্টিপাত;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

১৭) শর্ম্মা দলৈ, শ্রীহৰিনাথ (২০০৪); *অসমীয়া গদ্য সাহিত্যৰ গতি পথ;* গুৱাহাটী ঃ পদ্মাপ্রিয়া লাইব্রেৰী।



১২.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ৰোমাণ্টিক সাহিত্যৰ যুগ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ৰোমাণ্টিক সাহিত্য।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ এই ৰোমাণ্টিক সাহিত্যৰ লক্ষণসমূহ থূলমূলভাৱে সত্যেন্দ্ৰনাথ শৰ্মাই এনেদৰে দেখুৱাইছে— "ব্যক্তিসত্তাৰ প্ৰাধান্য, প্ৰকৃতি-প্ৰীতি, সাধাৰণ প্ৰাণী বা পদাৰ্থৰ প্ৰতি উদাৰ মনোভাৱ, বাস্তৱ-বিমুখিতা, অতীতৰ প্ৰতি শ্ৰদ্ধা আৰু ভৱিষ্যতৰ ৰঙীণ কল্পনা। কল্পলোকৰ সৃষ্টিৰ সহায়ত আত্মমুক্তিৰ প্ৰচেষ্টা, প্ৰেম আৰু সৌন্দৰ্যৰ পূজা, জাগতিক সৌন্দৰ্যৰ প্ৰতি বিস্ময়বিমূঢ় দৃষ্টি, প্ৰিয়াৰ ৰূপ আৰাধনা আৰু বিশ্বপ্ৰকৃতিত প্ৰিয়াৰ ৰূপদৰ্শন আৰু অতীন্দ্ৰিয়বাদ, সুদূৰৰ আকৰ্ষণ, জীৱন ৰহস্যভেদৰ বৌদ্ধিক প্ৰচেষ্টা" আদি।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) যতীন্দ্ৰনাথ দুৱৰা (খ) ৰহস্যবাদী (গ) নাটকীয় একোক্তিৰ

৫ নং প্ৰশ্নৰ উত্তৰ ঃ লক্ষ্মীনাথ বেজবৰুৱাক।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ শৰৎ চন্দ্ৰ গোস্বামী।



১২.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ *জোনবিবি* পুথিখন কোনে ৰচনা কৰিছিল?

প্ৰশ্ন ২ ঃ *জোনাকী* কাকতখন কোন চনত প্ৰকাশ পাইছিল?

(খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্পৰ বৈশিষ্ট্য সম্পৰ্কে এটি টোকা লিখক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক —

(ক) *জোনাকী* (খ) শৰৎ চন্দ্ৰ গোস্বামী

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ১৮৮৯ চনৰ পৰা ১৯৪০ চনলৈ ৰচিত অসমীয়া সাহিত্যৰ ইতিহাসৰ বিষয়ে এটি সমালোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ জোনাকী যুগৰ চুটি গল্পৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ জোনাকী যুগৰ কবিতাৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

*** ***** ***